# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-07-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত ৩২৪ গৰাকী ছাত্ৰী থাকিব পৰা এটা অত্যাধুনিক ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় চৌহদত অধ্যাপকৰ আবাস প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। আজিৰ ব্যস্ত কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত প্ৰায় ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই প্ৰথমেই ১৪৬ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আৰু পি এম উষা আঁচনিৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন আন্তঃগাঁথনিমূলক কাম-কাজৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আঁচনিৰ অধীনত বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ পথসমূহৰ সম্প্ৰসাৰণ আৰু মেৰামতি, ১৬ টা আবাসযুক্ত হাউছিং ব্লক, ক্ৰীড়া প্ৰাংগন আৰু ব্যায়ামাগাৰ নিৰ্মাণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান, চমুকৈ উষাৰ অধীনত ১৭৬ গৰাকী ছাত্ৰী থাকিব পৰা নিবাস, শৈক্ষিক ভৱন, শৈক্ষিক গৱেষণা কেন্দ্ৰ আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ সফল ৰূপায়ণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপে অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক নতুন দৃষ্টিভংগীৰে অগ্ৰসৰ হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি নাহৰকটীয়াত ১৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়, নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতু, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন, কুঁৱৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱন আৰু হকী ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

ooooo

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আই আই টি গুৱাহাটীৰ গৱেষকৰ এটা দলে বাম্বুচা টুল্ডা নামৰ বাঁহৰ এটা বিশেষ প্ৰজাতি ব্যৱহাৰ কৰি পৰিৱেশ অনুকুল কম্পোজিত মেটেৰিয়েল অৰ্থাৎ সংমিশ্ৰিত পদাৰ্থ প্ৰস্তুত কৰিছে। উত্তৰ-পূব ভাৰতৰ আৰ্দ্ৰ আৰু উষ্ণ পৰিৱেশত দ্ৰুতগতিত বৃদ্ধি পোৱা বাঁহৰ প্ৰজাতিটো জৈৱ বিঘ্নিত পলিমাৰৰ সৈতে সংযোগ কৰি এই সংমিশ্ৰিত পদাৰ্থবিধ তৈয়াৰ কৰা হৈছে। উচ্চ শক্তিসম্পন্ন আৰু তাপৰ স্থিৰতাযুক্ত এই নতুনকৈ আৱিষ্কৃত পদাৰ্থবিধ কমকৈ আৰ্দ্ৰতা শোষণ কৰাৰ লগতে উৎপাদন ব্যয় কম হোৱাৰ কাৰণে সাধাৰণ প্লাষ্টিকৰ বিকল্প হিচাপে ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক পুনম কুমাৰীৰ নেতৃত্বত সম্পন্ন হোৱা এই গৱেষণাই প্লাষ্টিক আৱৰ্জনা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে কাম কৰিব বুলি আশা কৰা হৈছে। ইতিমধ্যে আই আই টি গুৱাহাটীৰ গৱেষকসকলে জৈৱ

ভিত্তিক বা পেট্ৰ'লিয়াম ভিত্তিক ইপক্সিৰে শক্তিশালী কৰা বাম্বুচা টুল্ডা বাঁহবিধৰ বিশেষ সংযোগী পৰীক্ষা সম্পন্ন কৰিছে। এই সংমিশ্ৰিত পদাৰ্থবিধ উন্নত বৈদ্যুতিক পদাৰ্থ, যান-বাহন, বিমান, বহনক্ষম নিৰ্মাণ সামগ্ৰী ইত্যাদিৰ উৎপাদন আৰু অংশ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হ'ব। কাঠ, লোহা আৰু প্লাষ্টিকৰ বিকল্প এই পদাৰ্থবিধৰ নিৰ্মাণ ব্যয়ো অতি কম হ'ব বুলি অধ্যাপক পুনম কুমাৰীয়ে জানিবলৈ দিছে। সম্প্ৰতি শৈক্ষিক আৰু গৱেষণা প্ৰতিষ্ঠানটোৱে নব্য বিকশিত পদাৰ্থবিধৰ জীৱনচক্ৰৰ মূল্যায়ন কৰি আছে।

ooooo

দিছপুৰ আৰক্ষীয়ে গুৱাহাটী মহানগৰীত লুকাই থকা কেৰালা আৰু মহাৰাষ্ট্ৰৰ তিনিজন চাইবাৰ অপৰাধত অভিযুক্ত ব্যক্তিক আজি গ্ৰেপ্তাৰ কৰে। দিছপুৰ ছুপাৰ মাৰ্কেটৰ এখন হোটেলৰ পৰা আৰক্ষীয়ে গৌতম শিবু লীনা, মহম্মদ সমীৰ আৰু অমন আণ্ডেছ সিন্দে নামৰ ব্যক্তি তিনিজনক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

ooooo

দৰং আৰক্ষীয়ে মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য, ৮টা মোবাইল ফোন, এটা টেবলেট, কম্পিউটাৰ আৰু নগদ ধনসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী দুজনৰ এগৰাকী মহিলা। অধিক তথ্যৰ বাবে দৰং আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু চিৰাং জিলা প্ৰশাসনৰ সহযোগত ছিদলী বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত লোকনৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালাখন আজি সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ উদ্দেশ্যেৰে সহপাঠ্যক্ৰম হিচাপে আয়োজন কৰা এই কৰ্মশালাখন যোৱা ১০ জুলাইত আৰম্ভ হৈছিল। ১৫ দিনীয়া কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন লোকনৃত্য প্ৰদৰ্শন কৰে। অংশগ্ৰহণকাৰীসকলক সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বিজনী সাংস্কৃতিক কেন্দ্ৰৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰা হয়।

ooooo

কাছাৰ জিলাৰ কালাইনৰ সিন্দূৰা বনভোজথলী পৰ্যটকৰ বাবে সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। যোৱা দেওবাৰে সিন্দূৰা নৈত পৰি শ্ৰীভূমিৰ দুজন যুৱকৰ মৃত্যুৰ পাছতে জিলা প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰে। কাটিগড়া ৰাজহ চক্ৰৰ অন্তৰ্গত এই বনভোজথলীত প্ৰয়োজনীয় নিৰাপত্তাৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সেই ঠাইত জনসাধাৰণৰ প্ৰৱেশ নিষিদ্ধ কৰিছে। জিলা আয়ুক্ত মৃদুল যাদৱে এই সংক্ৰান্তীয় নিৰ্দেশনা জাৰি কৰি কয় যে প্ৰয়োজনীয় সাৱধানতা অবিহনে এনে স্থানত জনসাধাৰণে মুক্তভাৱে ঘূৰা-ফুৰা কৰাৰ ফলত বিপদৰ সন্মুখীন হ'ব পাৰে। এই নিৰ্দেশৰ উলংঘা কৰিলে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

ooooo

সমাপ্ত